**বৰ্তমান অসমৰ কভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি তলত দিয়া নিৰ্দেশনাৱলীসমূহ অসম চৰকাৰৰ মূখ্য সচিব তথা অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধ্যক্ষৰ দ্বাৰা জাৰি কৰা হৈছে।**

**<u>এই নিৰ্দেশনাৱলীসমূহ পৰৱৰ্ত্তী নিৰ্দেশ জাৰি নকৰা পৰ্যন্ত বাহাল থাকিব</u>**

**(ক) কণ্টেইনমেন্ট জোনসমূহ:**

যদি যোৱা এক সপ্তাহত এটা ডাঙৰ ভৌগোলিক এলেকা বা চহৰ এখন বা আন অংশসমূহত কোভিড ১৯-ৰ সংক্ৰমণৰ ঘটনা মুঠ পৰীক্ষা কৰা ব্যক্তিসকলৰ ১০% বা ততোধিক হয় বা অক্সিজেনযুক্ত বা আই.চি.ইউ. ব্যৱহৃত বিচনাৰ সংখ্যাই ৬০% অতিক্ৰম কৰে, তেনে ক্ষেত্ৰত জিলা দণ্ডাধীশে এই অঞ্চলবোৰ কণ্টেইনমেণ্ট জোন হিচাপে ঘোষণা কৰাৰ সিদ্ধান্ত ল'ব আৰু কোভিড ১৯-ৰ বাবে, ভাৰত চৰকাৰৰ পৰামৰ্শ ২৫ এপ্ৰিল, ২০২১ তাৰিখৰ এম.এইচ.এ. আদেশৰ সৈতে ২৯ এপ্ৰিল, ২০২১ তাৰিখৰ (পৰিশিষ্ট-এ) অনুযায়ী প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব।

**(খ) জনসমাৱেশ:**

১. কোনো খোলা বা বন্ধ স্থানত কোনো সভা / সমাৱেশ অনুষ্ঠিত কৰিব নোৱাৰিব।

২. বিবাহৰ বাবে, সৰ্বাধিক ২০ জন (বিশ) ব্যক্তিৰ উপস্থিতিত ধৰ্মীয় ৰীতি-নীতিৰে বিবাহ কাৰ্য সম্পন্ন কৰিব পাৰিব। বিবাহৰ পূৰ্বে বা পাছত কোনো অভ্যৰ্থনা অনুষ্ঠান আয়োজন কৰিব নোৱাৰিব।

৩. সকলো ধৰ্ম্মীয় স্থানত, যিকোনো সময়তে পাঁচজনতকৈ অধিক ব্যক্তি একত্ৰিত হ'ব নোৱাৰিব।

৪. অন্ত্যেষ্টিক্ৰিয়া/ অন্তিম সংস্কাৰ সম্পৰ্কীয় সমাৱেশ প্ৰতিজন মৃতকৰ বাবে ২০ জনতকৈ অধিক হ'ব নোৱাৰিব।

৫. সকলো দোকান আৰু বাণিজ্যিক প্ৰতিষ্ঠান সকলো দিনতে দুপৰীয়া ২ বজাৰ পৰা বন্ধ থাকিব।

৬. ৰেষ্টুৰেণ্ট, ধাবা আৰু অন্যান্য ভোজনালয়ে কেৱল আবেলি ২ বজালৈকে নিজৰ চৌহদৰ ভিতৰত অতিথিৰ সেৱা কৰিব পাৰিব। সন্ধিয়া ৬.০০ বজালৈকে খাদ্যৰ ঘৰুৱা বিতৰণসহ কঢ়িয়াই নিয়াত অনুমতি দিয়া হ'ব।

৭. হোটেল বা ৰিজৰ্টৰ ভিতৰত চলি থকা ৰেষ্টুৰেণ্টবোৰে বাহিৰৰ অতিথিসকলক কেৱল দুপৰীয়া ২.০০ বজালৈকেহে আপ্যায়ন কৰিব পাৰিব। অৱশ্যে, হোটেল/ৰিজৰ্টৰ আভ্যন্তৰীণ অতিথিসকলক সাধাৰণতে অনুমোদিত সময়লৈকে ভোজন কৰিবলৈ অনুমতি থাকিব।

৮. ই-কমাৰ্চৰ জৰিয়তে অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰিব পাৰিব।

৯. আবেলি ২.০০ বজাৰ পিছত শীতল ভঁৰাল আৰু ৱেৰহাউচৰ কাম-কাজ সাধাৰণ সময়তে অব্যাহত ৰাখিব পাৰিব। অৱশ্যে, এই ৱেৰহাউচ বা শীতল ভঁৰালৰ সৈতে সংলগ্ন বিক্ৰয় কাউণ্টাৰ, শ্ব'ৰুম আদি আবেলি ২ বজাৰ পৰা বন্ধ থাকিব।

১০. ফাৰ্মাচী, চিকিৎসালয়, পশু যত্ন কেন্দ্ৰ আৰু পশু চিকিৎসা ক্লিনিকবোৰ অত্যাৱশ্যকীয় আৰু জৰুৰীকালীন সেৱা হোৱাৰ বাবে প্ৰতিবন্ধকতা অবিহনে কাম কৰিব পাৰিব।

**(গ) কৰ্মস্থান (চৰকাৰী আৰু ব্যক্তিগত:)**

১. ব্যক্তিগত আৰু চৰকাৰী কাৰ্যালয়সমূহ দুপৰীয়া ২ বজাৰ পৰা বন্ধ থাকিব।

২. বিষয়াসকলৰ বাহিৰে, কেৱল ৫০% কৰ্মচাৰীয়েহে কাৰ্যালয়ৰ পৰা কাম কৰিব পাৰিব। অৱশ্যে, অত্যাৱশ্যকীয়/জৰুৰীকালীন সেৱা, আইন প্ৰয়োগ সেৱাৰ সৈতে জড়িত সংগঠনবোৰৰ ক্ষেত্ৰত ওপৰৰ ১ আৰু ২-ত উল্লেখিত বাধ্যবাধকতা প্ৰযোজ্য নহ'ব।

৩. যিকোনো চৰকাৰী / পিএছইউ / বিত্তীয় প্ৰতিষ্ঠান / ব্যক্তিগত সংগঠনৰ অধীনত কাম কৰা গৰ্ভৱতী মহিলা কৰ্মচাৰী আৰু ৫ বছৰ বা তাতকৈ কম বয়সৰ সন্তান থকা মহিলাসকলে তেওঁলোকৰ পদবী নিৰ্বিশেষে ঘৰৰ পৰা কাম কৰিব পাৰিব।

৪. যিকোনো চৰকাৰী/পিএছইউ/বিত্তীয় প্ৰতিষ্ঠান/ব্যক্তিগত সংগঠনত কাম কৰা প্ৰতিবন্ধী ব্যক্তিসকলক ১ এপ্ৰিল, 2020 তাৰিখৰ অ.এম. নম্বৰ 11013/9/2014/এস্ক.(এ.আই.আই.) অনুসৰি ডি.ও.পি.টি., ভাৰত চৰকাৰৰ দ্বাৰা জাৰী কৰা নিৰ্দেশমৰ্মে দায়িত্বত উপস্থিত থকাৰ পৰা ৰেহাই পাব। অৱশ্যে, তেওঁলোকক ঘৰৰ পৰা কাম কৰিবলৈ উৎসাহিত কৰা হ'ব।

**(ঘ) শিক্ষানুষ্ঠান (চৰকাৰী আৰু ব্যক্তিগত:)**

১. বিদ্যালয়/মহাবিদ্যালয়/বিশ্ববিদ্যালয়কে ধৰি সকলো শিক্ষানুষ্ঠানে মানগত ভাৰ্চুৱেল বিকল্প প্ৰদান কৰিব।

**(ঙ) ৰাজহুৱা পৰিবহন (চৰকাৰী আৰু ব্যক্তিগত:)**

১. সকলো ৰাজহুৱা পৰিবহন কৰ্তৃপক্ষই গাড়ী, মটৰ, কনটেইনাৰ আদিৰ ক্ষেত্ৰত কোভিড-১৯ আচৰণবিধি মানি চলাটো নিশ্চিত কৰিব।

২. অটো ৰিক্সা, চাইকেল ৰিক্সা আৰু টেক্সিবোৰত এজন চালক আৰু দুজন যাত্ৰীয়েহে সামাজিক দূৰত্ব বজাই ৰাখি ভ্ৰমণ কৰিব পাৰিব।

৩. চিটি বাছ, আন্তঃজিলা, অন্তঃজিলা তথা আন্তঃৰাজ্যিক বাছবোৰ মুঠ ক্ষমতাৰ ৫০% আসনত যাত্ৰী কঢ়িয়াব পাৰিব।

৪. এজন ব্যক্তিয়ে অকেল বাহন চলালেও মাস্ক পিন্ধাটো বাধ্যতামূলক। যিকোনো ব্যক্তিগত বাহনৰ ক্ষেত্রত, ১০০% যাত্রীৰ সৈতে ভ্ৰমণ কৰিব পাৰিব, অৱশ্যে সকলো ব্যক্তিৰ বাবে মাস্ক পিন্ধাটো বাধ্যতামূলক।

**(চ) সান্ধ্য আইন:**

নিম্নলিখিত ধৰণৰ ৰেহাইৰ বাহিৰে দৈনিক সন্ধিয়া ৬ বজাৰ পৰা পুৱা ৫ বজালৈ ব্যক্তিৰ চলাচলৰ ওপৰত সম্পূৰ্ণ নিষেধাজ্ঞা থাকিব:

১. বৈধ পৰিচয় পত্ৰ থকা জৰুৰীকালীন সেৱা আৰু অন্যান্য সকলো অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িত সকলো চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ বিষয়া আৰু ব্যক্তি,

২. বৈধ পৰিচয় পত্ৰ থকা অসমৰ আদালতৰ সকলো ন্যায়িক বিষয়া/ আদালতৰ কৰ্মচাৰী/ বিষয়া,

৩. সকলো ব্যক্তিগত চিকিৎসা কৰ্মী যেনে চিকিৎসক, নাৰ্চ, পেৰামেডিকেল কৰ্মচাৰী ইত্যাদি আৰু অন্যান্য চিকিৎসালয় সেৱা (যেনে ৰোগ নিৰ্ণয় কেন্দ্ৰ, ক্লিনিক, ফাৰ্মাচী, ফাৰ্মাচিউটিকেল কোম্পানী আৰু অন্যান্য চিকিৎসা তথা স্বাস্থ্য সেৱা),

৪. গৰ্ভৱতী মহিলা আৰু ৰোগীৰ চিকিৎসা সেৱা,

৫. বিমানবন্দৰ/ৰেল ষ্টেচন/আইএছবিটিৰ পৰা/যোৱা ব্যক্তিক বৈধ টিকট প্ৰদৰ্শন সাপেক্ষে ভ্ৰমণ কৰিব পাৰিব,

৬. বৈধ পৰিচয় পত্ৰ থকা বিভিন্ন দেশৰ কূটনীতিবিদসকলৰ কাৰ্যালয় বিষয়া/ কৰ্মচাৰীসকল আৰু সাংবিধানিক পদত অধিষ্ঠিত ব্যক্তিসকল,

৭. বৈধ পৰিচয় পত্ৰ থকা বৈদ্যুতিক আৰু ছপা মাধ্যমৰ বিষয়া- কৰ্মচাৰী,

৮. আন্তঃৰাজ্যিক আৰু ৰাজ্যৰ ভিতৰত/ অত্যাৱশ্যকীয়/ প্ৰয়োজনীয় সামগ্ৰী পৰিবহনত কোনো বাধা নাথাকিব। এনে চলাচলৰ বাবে কোনো পৃথক অনুমতি / ই-পাছৰ প্ৰয়োজন নহ'ব,

৯. নিম্নলিখিত অত্যাৱশ্যকীয় সেৱা/সামগ্ৰী প্ৰদান কৰা বাণিজ্যিক আৰু ব্যক্তিগত প্ৰতিষ্ঠানৰ সৈতে সম্পৰ্কিত ব্যক্তিৰ চলাচলৰ অনুমতি দিয়া হ'ব:

(ক) খাদ্য, সামগ্ৰী, ফল-মূল আৰু পাচলি, দুগ্ধজাত সামগ্ৰী আৰু গাখীৰ বিক্ৰয়কেন্দ্ৰ, মাংস আৰু মাছ, পশুখাদ্য, ফাৰ্মাচিউটিকেল, ঔষধ আৰু চিকিৎসা সঁজুলিৰ সৈতে লেনদেন কৰা দোকান,

(খ) বেংক, বীমা কাৰ্যালয় আৰু এটিএম,

(গ) দূৰসংযোগ, ইন্টাৰনেট সেৱা, সম্প্ৰচাৰ আৰু কেবল সেৱা, তথ্য প্ৰযুক্তি আৰু তথ্য প্ৰযুক্তি সক্ষম সেৱাসমূহ,

(ঘ) ই-কমাৰ্চৰ জৰিয়তে খাদ্য, ফাৰ্মাচিউটিকেল, চিকিৎসা সঁজুলিসহ সকলো অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰা,

(ঙ) পেট্ৰ'ল পাম্প, এলপিজি, চিএনজি, পেট্ৰ'লিয়াম আৰু গেছ খুচুৰা বিতৰণ কাৰ্যালয় আউটলেট,

(চ) বিদ্যুৎ উৎপাদন, পৰিবহন আৰু বিতৰণ সেৱা,

(ছ) শীতল ভঁৰাল আৰু গুদাম সেৱা,

(জ) ব্যক্তিগত সুৰক্ষা সেৱা,

(ঝ) অত্যাৱশ্যকীয় সামগ্ৰীৰ উৎপাদন কেন্দ্ৰ,

(ঞ) নিৰন্তৰ প্ৰক্ৰিয়াৰ প্ৰয়োজন থকা উৎপাদন কেন্দ্ৰ তথা সেৱা,

(ট) কোভিড-১৯ টিকাকৰণৰ বাবে যোৱা ব্যক্তিসকল,

(ঠ) বৈধ পৰিচয় পত্ৰ থকা পৰিৱেশ আৰু বন বিভাগৰ অধীনত বনাঞ্চল সম্পৰ্কীয় কাৰ্যকলাপৰ সৈতে জড়িত সকলো কৰ্মচাৰী / ব্যক্তি।

**(ছ) বিবিধ:**

১. সকলো ৰাজহুৱা স্থানত মুখাবৰণ (Face Mask) পিন্ধাটো বাধ্যতামূলক,

২. দোকানৰ মালিকসকলে গ্ৰাহকসকলৰ মাজত নিম্নতম ছয় ফুট দূৰত্ব নিশ্চিত কৰিব আৰু দোকানৰ ভিতৰত ৫ জনতকৈ অধিক লোকক অনুমতি নিদিব। ইয়াৰ উপৰিও, দোকানৰ মালিকসকলে বাধ্যতামূলকভাৱে চেনিটাইজাৰ ৰাখিব লাগিব আৰু তেওঁলোকৰ দোকানত চাবোনেৰে হাত ধোৱাৰ ব্যৱস্থা কৰিব,

৩. দোকানী আৰু গ্ৰাহকসকলে মাস্ক, হাতমোজা পিন্ধিব লাগিব আৰু সামাজিক দূৰত্ব বজাই ৰাখিব লাগিব। সামাজিক দূৰত্ব ৰক্ষণাবেক্ষণৰ দায়িত্ব দোকানৰ মালিকৰ ওপৰত হ'ব আৰু এনে কৰাত ব্যৰ্থ হ'লে অতি গুৰুত্বসহকাৰে লোৱা হ'ব আৰু তেনে দোকান বন্ধ কৰি দিয়া হ'ব পাৰে,

৪. ঔদ্যোগিক গোট আৰু চাহ বাগিচাবোৰে কোভিড উপযুক্ত আচৰণ পালন সাপেক্ষে কাম কৰিব পাৰিব। সামাজিক দূৰত্ব, শ্ৰমিক আৰু কৰ্মচাৰীৰ দ্বাৰা পিন্ধা মাস্ক, ঔদ্যোগিক চৌহদৰ চেনিটাইজেচন, থাৰ্মেল স্কেনিং আদি নিশ্চিত কৰাৰ বাবে ঔদ্যোগিক গোট/চাহ বাগিচাৰ মুৰব্বীসকল দায়বদ্ধ হ'ব।

**(জ) দণ্ডবিধি:**

১. এই ব্যৱস্থাবোৰ উলংঘা কৰা যিকোনো ব্যক্তিক দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫-ৰ ধাৰা ৫১ ৰ পৰা ৬০ ৰ বিধান অনুসৰি, ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১৮৮-ৰ অধীনত আইনী ব্যৱস্থা আৰু অন্যান্য উপযুক্ত আইনী প্ৰক্ৰিয়া অনুসৰি ব্যৱস্থা লোৱা হ'ব।

২. ৰাজহুৱা স্থানত মুখাবৰণ (Face Mask) নিপিন্ধা আৰু/বা থু পেলোৱা যিকোনো ব্যক্তিক ১০০০/- টকা জৰিমনা বিহা হ'ব। এই ব্যৱস্থা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, দণ্ডাধীশ, আৰক্ষী, জিলা পৰিবহন বিষয়াৰ প্ৰৱৰ্তন শাখা আৰু গুৱাহাটী পৌৰ নিগমৰ প্ৰৱৰ্তন শাখাৰ বিষয়াকলৈ গঠিত জিলাভিত্তিক টাস্ক ফ'ৰ্চে ব্যৱস্থা গ্ৰহণ কৰিব।

স্বাক্ষৰ

**(জিষ্ণু বৰুৱা, আই.এ.এছ)**
**মুখ্য সচিব, অসম**

মেমো নং এএছডিএমএ/২৮/২০২১/৬৩-A দিনাংকঃ ৪ৰ্থ মে', ২০২১

1. অসম চৰকাৰৰ সকলো অতিৰিক্ত মুখ্য সচিব, দিচপুৰ, গুৱাহাটী।
2. অসমৰ আৰক্ষী সঞ্চালক প্ৰধান।
3. অসম চৰকাৰৰ সকলো প্ৰধান সচিব/আয়ুক্ত আৰু সচিব, দিচপুৰ, গুৱাহাটী।
4. গুৱাহাটীৰ আৰক্ষী আয়ুক্ত।
5. বিটিচি, এনচিএইচএচি, কে.এ.এ.চি.-ৰ মুখ্য সচিবসকল।
6. সকলো উপায়ুক্ত।
7. সঞ্চালক, তথ্য আৰু জনসম্পৰ্ক সঞ্চালকালয়, অসম।
8. সকলো আৰক্ষী অধীক্ষক।
9. অসম, গুৱাহাটীৰ মুখ্য সচিবৰ এছ.অ'।
10. মাননীয় মুখ্যমন্ত্ৰীৰ পিপিএছ।
11. মাননীয় অসমৰ মন্ত্ৰীসকলৰ পি.এছ.।
12. মাননীয় মুখ্যমন্ত্ৰী, অসম, উপদেষ্টাসকলৰ পি.এছ.।

স্বাক্ষৰ

**(জ্ঞানেন্দ্ৰ ত্ৰিপাঠী, আই.এ.এছ)**
**মুখ্য কাৰ্যবাহী বিষয়া**